# অসমৰ সংহত শিশু উন্নয়ন প্ৰকল্প সমূহত পৰিপূৰক পুষ্টি আঁচনি ৰূপায়ণ

## কাৰ্য্যকৰণ আৰু পৰিচালনাৰ পৰিকল্পনা

সঞ্চালকালয়, সমাজ কল্যাণ বিভাগ
অসম

# অসমৰ সংহত শিশু উন্নয়ন প্ৰকল্প সমূহত
# পৰিপূৰক পুষ্টি আঁচনি ৰূপায়ণ
## ঃ কাৰ্য্যকৰণ আৰু পৰিচালনাৰ পৰিকল্পনা ঃ

১। পাতনি ঃ পৰিপূৰক পুষ্টি আঁচনি ছয়বছৰীয়া শিশু, কিশোৰী, গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃসকলক খাদ্যৰ নিৰাপত্তা দিয়াটোৱেই একমাত্ৰ লক্ষ্য নহয় বৰঞ্চ গৃহপৰিচৰ্য্যা আৰু খাদ্যাভাস সবল সুক্ষ্ম পুষ্টিকনাৰ সংমিশ্ৰণৰ যোগে পুৰাতন খাদ্যাভাসৰ নিৰাপত্তা পুনৰ দৃঢ় কৰাৰ এক প্ৰৱেশ পথহে। ভাৰতত মৃত্যুমুখত পৰা শিশুৰ আধাভাগেই পুষ্টিহীনতাত ভোগা। যদিও দেশে দোপতদোপে অৰ্থনৈতিক অগ্ৰগতি লভিছে তথাপিও শিশু সকলৰ কম ওজনৰ সমস্যা, উচ্চ হাৰত প্ৰ'টিন, শক্তিৰ দৈন্যতা, ভিটামিন 'ক' আৰু আয়'ডিনহীনতা (উপ-চাহাৰান আফ্ৰিকাতকৈও বেছি) ৰ লগতে সুক্ষ্ম পুষ্টিকনাৰ অভাৱত হোৱা সমস্যা বৰ্তমানেও আছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে এই কাৰ্য্যক্ৰম ৰূপায়নৰ বাবে ধনৰ পৰিমাণ, পৰিসৰ আৰু কামৰ সুযোগ বৃদ্ধি কৰিছে যাতে ৬ মাহৰ পৰা ৬ বছৰৰ ল'ৰা-ছোৱালী, কিশোৰী, গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃয়ে নিজৰ পৰিয়ালৰ উপাৰ্জন ব্যতিৰেকে এই কাৰ্য্যক্ৰমৰ ফল ভোগ কৰাটো নিশ্চিত হয়। এই কাৰ্য্যক্ৰম সাৰ্বজনীন কৰাৰ লগতে প্ৰাধান্য দিয়া হৈছে ঃ—

(১) আঁচনিখনৰ স্বত্ব জনগণই লোৱাত উৎসাহ যোগোৱা।

(২) বিকেন্দ্ৰীকৃত, প্ৰমাণভিত্তিক পৰিকল্পনা আৰু সিদ্ধান্তৰ বাবে এক উপযুক্ত পৰিবেশ সৃষ্টি কৰা। পুষ্টিহীনতাৰ অন্যান্য কাৰণসমূহ নিৰ্ণয় কৰি মাতৃদুগ্ধপানৰ ওপৰত সঠিক পুষ্টিজ্ঞান দিয়া লগতে পৰিপূৰক আহাৰ খোৱাৰ অভ্যাস আৰু গৃহ পৰিচৰ্য্যাৰ ওপৰত তীব্ৰতৰ গুৰুত্ব প্ৰদান কৰা তথা

৩ (ক) পৰ্য্যালোচনাৰ ব্যৱস্থা সবল কৰা। মাননীয় উচ্চতম ন্যায়ালয়ে WP(c) No. 196/2001 গোচৰ সম্বন্ধীয় অন্যান্য নিৰ্দেশনাৰ লগতে পৰিপূৰক পুষ্টি কাৰ্য্যক্ৰমৰ ওপৰত তলত দিয়া নিৰ্দেশসমূহ উল্লেখ কৰিছে —

৩ (খ) অঙ্গনবাদী কেন্দ্ৰসমূহত পুষ্টিকৰ আহাৰ যোগানত ঠিকাদাৰ ব্যৱহাৰ কৰিব নোৱাৰিব আৰু শিশু উন্নয়ন প্ৰকল্পৰ আঁচনিৰ ধন গাঁৱৰ ৰাইজ আত্মসহায়ক গোট আৰু মহিলা মণ্ডল সমূহক খাদ্য বস্তু কিনা আৰু প্ৰস্তুত কৰণত জড়িত কৰি ব্যৱহাৰ কৰিব লাগিব।

(৪) যতদুৰ সম্ভৱ প্ৰধামন্ত্ৰীৰ গ্ৰাম্য যোজনাৰ অধীনত শিশুসকলসক কেন্দ্ৰতে ভাল খাদ্যৰ যোগান ধৰিব লাগিব।

(৫) সংহত শিশু উন্নয়ন আঁচনিত অন্তৰ্ভূক্তিৰ বাবে হিতাধিকাৰীসকল দৰিদ্ৰ সীমাৰেখাৰ তলৰ হোৱাতো ভিত্তি হ'ব নেলাগিব।

(৬) সকলো অনুমোদিত সংহত শিশু উন্নয়ন সেৱা প্ৰকল্প কাৰ্যক্ষম কৰি নিৰ্দ্ধাৰিত নিয়মমতে খাদ্য প্ৰদান কৰিব আৰু বাচন আদি নেথাকিলে যোগান ধৰিব।

এই কাৰ্য্যক্ৰমৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে অসম চৰকাৰে চলিত বৰ্ষৰ বাজেটত নিজ অংশ হিচাবে সত্তৰ (৭০) কোটি টকা আবন্টন দিছে আৰু সম পৰিমাণৰ কেন্দ্ৰীয় চৰকাৰ অংশ লগ লাগি মুঠ ১৪০ কোটি টকাৰে ২১৯টা প্ৰকল্পত ৰাজ্যখনৰ মুঠ ৩২০৭৫ টা অঙ্গনবাদী কেন্দ্ৰত ৰূপায়ণৰ বাবে ধাৰ্য্য কৰিছে।

২। **আঁচনিৰ নিয়মসমূহ ঃ**

আঁচনিখনৰ নিৰ্দ্দেশাৱলীমতে হিতাধিকাৰীসকলক মাহে ২৫ দিনকৈ বছৰেকত ৩০০ দিন পৰিপূৰক পুষ্টিকৰ আহাৰ দিব লাগে। তাৰাপৰি কেল'ৰি আৰু প্ৰ'টিনযুক্ত পৰিপূৰক আহাৰ হিতাধিকাৰী সকলৰ শ্ৰেণী অনুসৰি তলত দিয়া মতে দিব লাগে।

(১) পুষ্টিহীনতাত ভোগা শিশুৰ বাহিৰে ৬ বছৰৰ তলৰ শিশু = ৩০০ কেল'ৰি, ৮ৰ পৰা ১০ গ্ৰাম প্ৰ'টিন প্ৰতিদিনে।
(২) পুষ্টিহীনতাত ভোগা ৬ বছৰৰ তলৰ শিশু = ওপৰত উল্লেখ কৰা পৰিমাণৰ দুগুণ।
(৩) গৰ্ভৱতী মহিলা, পোৱতী মাতৃ আৰু কিশোৰী = ৫০০ কেল'ৰি, ২০ গ্ৰাম প্ৰ'টিন।

৩। **প্ৰতি এককৰ অনুমোদিত খৰচ ঃ**

হিতাধিকাৰীসকলৰ শ্ৰেণী অনুসৰি অনুমোদিত দৰ তলত দিয়া ধৰনে ঃ

| | | |
|---|---|---|
| (১) পুষ্টিহীনতাত ভোগা শিশুৰ বাহিৰে ৬ বছৰৰ তলৰ শিশু | = প্ৰতিদিনে প্ৰতি শিশুৰ বাবে | = ২.০০ টকা। |
| (২) পুষ্টিহীনতাত ভোগা শিশুৰ (৬ বছৰৰ তলৰ) বাবে | = প্ৰতিদিনে প্ৰতি শিশুৰ বাবে | = ২.৭০ টকা। |
| (৩) গৰ্ভৱতী মহিলা | = প্ৰতিদিনে প্ৰতি মহিলাৰ বাবে | = ২.৩০ টকা। |
| (৪) পোৱতী মাতৃ | = প্ৰতিদিনে প্ৰতি মাতৃৰ বাবে | = ২.৩০ টকা। |
| (৫) কিশোৰী | = প্ৰতিদিনে প্ৰতি কিশোৰীৰ বাবে | = ২.৩০ টকা। |

৪। **আঁচনিয়ে সামৰি লোৱা ক্ষেত্ৰ ঃ**

প্ৰকল্প ভিত্তিত মুঠ মুখ্য সেৱিকা, অঙ্গনৱাদী কেন্দ্ৰ আৰু অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ তথ্য সংলগ্ন কৰা হৈছে।

৫। **হিতাধিকাৰীসকল ঃ**

ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ শতকৰা ১৫ শতাংশ ৬ বছৰৰ তলৰ শিশু, ৮ শতাংশ কিশোৰী, গৰ্ভৱতী মাতৃ আৰু প্ৰসূতি মাতৃ হ'ল ৩ শতাংশ। এই ক্ষেত্ৰত তলত উল্লেখ কৰা বিষয় (Issue) সমূহ বিবেচনা কৰি চোৱা ভাল হ'ব।

(i) হিতাধিকাৰীসকলৰ ঘৰে ঘৰে গৈ জৰীপ কৰা তথ্য বৰ্ত্তমানলৈকে উপলব্ধ নহয়।

(ii) 0-৬ বছৰলৈকে শিশুৰ প্ৰকৃত সংখ্যা সহজতে উপলব্ধ নহয়।

(iii) আনুমানিক ৮ লাখ শিশু (৪-৫ বছৰৰ) প্ৰাথমিক বিদ্যালয়ৰ 'ক' শ্ৰেণীত ভৰ্ত্তি হৈছে বুলি জনা গৈছে কিন্তু ব্যক্তিগত খণ্ডৰ প্ৰাথমিক বিদ্যালয়ত ভৰ্ত্তি হোৱা শিশুৰ তথ্য পোৱা নাযায়।

(iv) আঁচনিখনে যদিও ৬ বছৰ বয়সলৈকে সকলো শিশুকে সামৰিছে তথাপি এক বৃহৎ সংখ্যক, প্ৰায় ৯০ শতাংশ ৫-৬ বছৰৰ শিশুৱে প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্ত্তি কৰিছে আৰু "দুপৰীয়াৰ আহাৰ" আঁচনিৰ অন্তৰ্ভুক্ত হৈছে যাৰ বাবে কিমানে এই আঁচনিৰ ফল উপভোগ কৰিব নিশ্চয় কৰা কঠিন হৈছে।

(v) কিশোৰীসকলৰ এক বৃহৎ সংখ্যা অৱস্থাপন্ন ঘৰৰ আৰু বিদ্যালয়লৈ যোৱা। তেওঁলোকৰ কিমানক এই আঁচনিয়ে সামৰি লব তাক নিশ্চয় কৰা নাযায়।

(vi) শতকৰা ১০০ শতাংশ শিশুক ওজন লোৱা সঁচাকৈয়ে সম্ভৱ হোৱা নাই, মধ্যম আৰু গুৰুতৰ পুষ্টিহীনতাত ভোগা শিশুৰ তথ্যও উপলব্ধ হোৱা নাই।

(vii) কিছুমান বসতিস্থল এতিয়াও সংহত শিশু উন্নয়ন আঁচনিয়ে সামৰি ল'ব পৰা নাই।

অঙ্গনবাদী কেন্দ্ৰ ভিত্তিক বিভিন্ন শ্ৰেণীৰ হিতাধিকাৰীৰ কলেবৰ বৰ্ত্তমান স্তৰত বিচাৰি উলিওৱা সম্ভৱ নহয়, সেইবাবে সকলো অঙ্গনবাদী কেন্দ্ৰতে গড়ে ১৪০ জনকৈ হিতাধিকাৰীক সামৰি লবলৈ বিবেচনা কৰা হ'ল। অঙ্গনবাদী কেন্দ্ৰৰ জনসংখ্যাৰ তাৰতম্য হোৱাৰ বাবে ধন আবণ্টনৰ ক্ষেত্ৰত কিছুমান সমস্যাৰ উদ্ভৱ হ'ব উদাহৰন স্বৰূপে, গুৰুতৰ পুষ্টিহীনতাত ভোগা শিশু বেছি থকা কেন্দ্ৰত কম ধন আবণ্টন হোৱা, কিন্তু এই আঁচনিখন বিকেন্দ্ৰীকৃত ভাৱে ৰূপায়ণ হোৱা দুবছৰহে হৈছে আৰু জনগণৰ হাতলৈ সমুদায় ধন আৰু ৰূপায়ণৰ পূৰ্ণ স্বত্ব চমজাই দিয়া প্ৰাৰম্ভিক বছৰহে।

তলত দিয়া সম্ভাৱনা বিলাক অনুধাৱন কৰি ৰূপায়ণৰ এই ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লোৱা হ'ল।

(i) অঙ্গনবাদী কৰ্ম্মীয়ে পৰিচালনা সমিতিৰ সহায়ত ঘৰে ঘৰে গৈ জৰীপ কৰিব আৰু পৰিপুষ্টি আঁচনিৰ অন্তৰ্ভুক্ত হ'ব লগা হিতাধিকাৰীসকলৰ সংখ্যা ধাৰ্য্য কৰিব।

(ii) হিতাধিকাৰীৰ সংখ্যা নিৰূপণৰ ভিত্তিত, খাদ্যবস্তু সিজাই খোৱাৰ প্ৰক্ৰিয়া নিৰ্দ্ধাৰিত নিৰিখমতে গ্ৰহণ কৰিব।

(iii) অঙ্গনবাদী কৰ্ম্মী গৰাকীয়ে প্ৰতিদিনে কিমান হিতাধিকাৰীক পৰিপূৰক পুষ্টিকৰ আহাৰ প্ৰদান কৰিলে তাৰ তথ্য বহীত লিপিবদ্ধ কৰিব।

(iv) এই ব্যৱস্থাই মোকলাই দিয়া পুঁজিৰ উপযুক্ত ব্যৱহাৰৰ নিশ্চিত কৰিব নোৱাৰিলেও, ই অনাগত বছৰ বিলাকত সংক্ষেপ আৰু পৰিস্ফুত পৰিকল্পনা প্ৰস্তুত কৰাৰ সহায়ক হ'ব।

এইখিনিতে খোলোচা কৰা হৈছে যে কেন্দ্ৰ বিশেষে হিতাধিকাৰীৰ মুঠ সংখ্যা ১৪০তকৈ বেছি বা কম হোৱাৰ সম্ভাৱনা আছে। উদ্দেশ্য হৈছে প্ৰতিগৰাকী হিতাধিকাৰীক আঁচনিখনে সামৰি লোৱা। যদিহে হিতাধিকাৰী সকলৰ সংখ্যা ১৪০তকৈ কম বা বেছি হয়, তেন্তে সেই কেন্দ্ৰত পৰিপূৰক পুষ্টিকৰ আহাৰ খোৱাৰ দিন বেছি বা কম হোৱাৰ বাহিৰে আন পৰিৱৰ্ত্তন নহয়।

সেইবাবে অনুমান কৰা হৈছে যে ২০০৭-০৮ বিত্তীয় বৰ্ষত কমেও ৫২ লাখশিশু, কিশোৰী আৰু মহিলাক এই আঁচনিখনে সামৰি ল'ব।

## ৬। ২০০৬-০৭, পৰিপূৰক পুষ্টি আঁচনিৰ বিকেন্দ্ৰীকৰণৰ প্ৰথমবৰ্ষ ঃ

মাননীয় উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশ আৰু আঁচনিখনৰ ৰূপায়ণত জনগণৰ বহল যোগদানৰ বাবে থকা চৰকাৰখনৰ আগ্ৰহৰ ফলত তলত উল্লেখ কৰা ব্যৱস্থাপনাৰ সূত্ৰপাত ঘটিল।

(i) চলিত সকলো অঙ্গনবাদী কেন্দ্ৰতে অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতি গঠন।

(ii) জিলাৰ উপায়ুক্তক সভাপতি আৰু জিলা সমাজ কল্যান বিষয়াক সদস্য সচিব হিচাবে লৈ পৰিপূৰক পুষ্টিৰ জিলা পৰ্য্যায়ৰ সমিতি গঠন।

(iii) জিলা পৰ্য্যায়ৰ সমিতিখনক অনুমোদিত খাদ্যবস্তুৰ নিৰিখ ঠিৰাং কৰিবলৈ দায়িত্ব প্ৰদান।

(iv) আত্মসহায়ক গোট, স্বেচ্ছাসেৱী অনুষ্ঠান সমূহক অঙ্গনবাদী কেন্দ্ৰসমূহলৈ খাদ্য আহৰণ আৰু যোগানৰ দায়িত্ব প্ৰদান।

(v) খাদ্য বস্তু বিতৰনত অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিক জড়িত কৰাটো বাধ্যতামূলক কৰা।

(vi) জিলা পৰ্যায়ৰ সমিতি সমূহলৈ আত্মসহায়ক গোট, আৰু স্বেচ্ছাসেৱী অনুষ্ঠান বিলাকলৈ ধন আদায়ৰ বাবে পুঁজিৰ আবণ্টন।

এইয়া এক বিনম্ৰ আৰম্ভণি আছিল কিন্তু আচৰিত ধৰণে ফলপ্ৰসূ হ'ল। যদিও কম সময়তে বহু কাম কৰিব লগা হৈছিল ৰূপায়ণৰ গোটেই প্ৰক্ৰিয়াটোৱে আঁচনিখনৰ স্বচ্ছতা প্ৰদান কৰিলে, দুৰ্নীতি আৰু বিশৃংখলতাৰ নগণ্য অভিযোগহে পোৱা গ'ল।

৭। **২০০৭-০৮ ৰ প্ৰস্তুতি ঃ** ২০০৭-০৮ বিত্তীয় বৰ্ষৰ মূল ভেটি হ'ল সিদ্ধান্ত গ্ৰহণৰ বিকেন্দ্ৰীকৰণ প্ৰক্ৰিয়াৰ পৰিসৰ বহলোৱা আৰু আঁচনিখনৰ ৰূপায়ণত প্ৰভূত ভাৱে জনগণৰ অংশগ্ৰহণ কৰা। এই প্ৰস্তুতিৰ মূল বৈশিষ্টসমূহ তলত দিয়া হ'ল।

(i) হিতাধিকাৰীসকলক সিজোৱা খাদ্য বিতৰণ।

(ii) খাদ্যবস্তু আহৰণ আৰু বন্ধনৰ দায়িত্ব অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিক প্ৰদান।

(iii) খাদ্য সামগ্ৰী, ইন্ধন আদি যথোপযুক্ত দৰত স্থানীয় ভাৱে অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ দ্বাৰা আহৰণ।

(iv) এই উদ্দেশ্যৰ বাবে অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ বেঙ্ক একাউণ্টলৈ ধনৰ হস্তান্তৰ কৰণ আৰু এই একাউণ্ট অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সদস্য সচিবৰ দ্বাৰা যুটীয়াভাৱে পৰিচালন।

(v) সমাজকল্যাণ সঞ্চালকৰ দ্বাৰা জিলা পৰ্যায়ৰ সমিতি সমূহলৈ ধন হস্তান্তৰ কৰণ আৰু জিলা পৰ্য্যায়ৰ সমিতি সমূহে নিশ্চিত হোৱাৰ পাচত অঙ্গনবাদী পৰিচালনা সমিতি সমূহলৈ ধনৰ আৱন্তন।

(vi) এই নিৰ্দেশাৱলীৰ অন্তৰ্গত উল্লেখ কৰা পুষ্টি সম্বন্ধীয় জ্ঞান আৰু আঁচনিৰ নিয়ম জনাটো সকলো অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ বাবে বাধ্যতামূলক।

(vii) ৬ মাহৰ পৰা ৩ বছৰ আৰু ৩ বছৰৰ পৰা ৬ বছৰৰ শিশু সকলৰ বাবে খাদ্য বস্তুৰ প্ৰস্তুত কৰাত গুণগত মান সম্পৰ্কীয় এক তালিকা অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিসমূহক দিয়া হ'ব। অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিয়ে হিতাধিকাৰীসকলৰ পচন্দ আৰু খাদ্য সামগ্ৰীৰ সহজলভ্যতা মনত ৰাখি তালিকাৰ পৰা এক বা ততোধিক খাদ্য প্ৰস্তুতকৰণ প্ৰণালী তালিকাৰ পৰা বাচি লোৱাৰ স্বাধীনতা থাকিব।

(viii) যতদূৰ সম্ভৱ অঙ্গনবাদী কেন্দ্ৰতে খাদ্য ৰন্ধনৰ কাম কৰিব তেনে কৰাত অসুবিধা হ'লে হিতাধিকাৰীসকলৰ সুবিধালৈ লক্ষ্য ৰাখি অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিয়ে এক উপযুক্ত স্থান নিৰ্ণয় কৰিব।

(ix) খাদ্য ৰন্ধাৰ সময় থিৰাং কৰোতে মনত ৰাখিব যাতে শিশুসকলৰ প্ৰাক প্ৰাথমিক শিক্ষা গ্ৰহণত বাধা নপৰে। অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিয়ে হিতাধিকাৰীসকলৰ পচন্দমতে দুপৰীয়া বা সন্ধ্যা সময়তো ৰান্ধিবৰ বাবে সময় নিৰ্ণয় কৰিব পাৰে।

(x) প্ৰধানতঃ সহায়িকা গৰাকীয়ে ৰন্ধনৰ দায়িত্ব ল'ব। কিন্তু তেওঁ অকলে এশতকৈ বেছি হিতাধিকাৰী সকলৰ বাবে ৰন্ধা সম্ভৱ নহ'ব পাৰে। অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিয়ে মাতৃ গোট, কিশোৰী শক্তি যোজনাৰ অন্তৰ্গত কিশোৰী গোটৰ লগত আলোচনা কৰি স্থানীয় মহিলা সকলৰ ৪-৫ জনীয়া স্বেচ্ছাসেৱী দলক উদ্‌গনি দি সহায়িকা গৰাকীৰ ৰন্ধন কাৰ্যত সহযোগ কৰোৱাব।

(xi) বৰ্দ্ধিত হিতাধিকাৰীৰ হেতু ৰন্ধনৰ বাবে যথোপযুক্ত প্ৰয়োজনীয় বাচনৰ সংখ্যা বা উপযুক্ত পাত্ৰ উভৈনদী নোহোৱাতো এক সমস্যা হ'ব পাৰে। এই ক্ষেত্ৰত বিভাগে যথাসময়ত ৰন্ধন পাত্ৰ যোগান ধৰাৰ ব্যৱস্থা ল'ব কিন্তু ইয়াৰ মাজতে অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিয়ে স্থানীয়ভাৱে জনগণৰ সহযোগেৰে এই সমস্যা সমাধান কৰিব।

(xii) অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য সচিবে সকলো তথ্য আৰু ভাউচাৰৰ হিচাব ৰাখিব। এই নিৰ্দ্দেশাৱলীত উল্লেখ কৰা প্ৰতিবেদন আৰু চৰকাৰে সময়ে সময়ে জাৰি কৰা নিৰ্দ্দেশ মানি চলিব।

(xiii) অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ বেঙ্ক একাউণ্ট যুটীয়াভাৱে সভাপতি আৰু সদস্য সচিবে পৰিচালনা কৰিব। এই একাউণ্টৰ পৰা ধন উলিয়াব খোজাৰ আগতে অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিয়ে উলিয়াব লগা ধনৰ পৰিমাণ মঞ্জুৰ কৰি এক প্ৰস্তাৱ গ্ৰহণ কৰিব লাগিব।

(xiv) অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য সচিবে খাদ্যবস্তু আহৰণ আৰু খৰছৰ হিচাব, কিমান হিতাধিকাৰীক খাদ্য বস্তু দিয়া হ'ল তাক মাহেকীয়া সভাত দাখিল কৰিব লাগিব। মাহেকীয়া প্ৰতিবেদন খনত সভাপতিয়ে সহ স্বাক্ষৰ (Counter Signature) কৰিব লগতে সমিতিৰ কাৰ্য বিবৰণীৰ প্ৰতিলিপি গাঠি দিব লাগিব।

(xv) শিশু উন্নয়ন প্ৰকল্প বিষয়াই স্বাস্থ্য বিভাগৰ সহযোগত সময়ে সময়ে খাদ্য সামগ্ৰীৰ লগতে সিদ্ধ খাদ্যৰ গুণ পৰীক্ষা কৰিব।

৮। খাদ্য সামগ্ৰী, **ইন্ধন আদিৰ** আহৰণ **প্ৰক্ৰিয়া** ঃ

(i) নিৰ্দ্দেশাৱলী আৰু হস্তান্তৰিত ধন অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিয়ে পোৱাৰ লগে লগে সদস্য সচিবে ততালিকে সমিতিৰ সভা আহ্বান কৰিব আৰু তলত দিয়া তথ্য সমূহ উত্থাপন কৰিব।

১) ধন কিমান পালে

২) আঁচনিৰ নিয়ম

৩) খাদ্য প্ৰস্তুতকৰণ তালিকা

৪) আহৰণ কৰিব লগা খাদ্য সামগ্ৰীৰ নাম

৫) হিতাধিকাৰী সকলৰ তালিকা।

(ii) অঙ্গনবাদী পৰিচালনা সমিতিয়ে তালিকাৰ পৰা নিৰ্দ্ধাৰিত খাদ্য চিনাক্ত কৰি খাদ্যৰ পৰিমাণ মাহেকত কিমান লাগিব নিশ্চিত কৰিব আৰু খাদ্য সামগ্ৰী ক'ৰ পৰা কিনিব সিদ্ধান্ত ল'ব।

(iii) খাদ্য সংৰক্ষণৰ সমস্যাৰ কথা মনত ৰাখি প্ৰয়োজন সাপেক্ষে এবাৰত এমাহৰ প্ৰয়োজনীয় খাদ্য সামগ্ৰী ক্ৰয় কৰিব।

(iv) সকলোৰে জ্ঞাতাৰ্থে, মাহটোত হিতাধিকাৰীসকলক খুৱাব লগা খাদ্যৰ তালিকা আৰু ক্ৰয় কৰা খাদ্য সামগ্ৰীৰ পৰিমান অঙ্গনবাদী কেন্দ্ৰৰ জাননী ফলকত লিপিবদ্ধ কৰিব।

(v) অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য সচিবে খাদ্য সামগ্ৰী আৰু ইন্ধন সম্বন্ধীয় সকলো নথি পত্ৰ, ভাউচাৰ সুৰক্ষিত ভাবে ৰখাৰ দায়িত্বত থাকিব। তেওঁ নিৰ্দ্ধাৰিত প্ৰপত্ৰ মতে এখন ৰেজিষ্টাৰ বহীত ক্ৰয় কৰা সকলো সামগ্ৰীৰ হিচাব ৰাখিব।

(vi) তেওঁ ৰেজিষ্টাৰ বহীৰ লগতে অন্যান্য নথি পত্ৰ/ ভাউচাৰ পৰবৰ্ত্তী অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাত সদস্য সকলৰ জ্ঞাতাৰ্থে আৰু মন্তব্যৰ বাবে উপস্থাপন কৰিব।

(vii) এই ৰেজিষ্টাৰ বহী বিলাক সদায় কেন্দ্ৰত উপলব্ধ হ'ব লাগিব যাতে উচ্চ পদস্থ বিষয়াই পৰিদৰ্শন কালত সেইবিলাক চাব পাৰে।

**৯ (ক)। শিশু আৰু মাতৃ সকলৰ বাবে কম খৰচতে প্ৰস্তুত কৰিব পৰা পুষ্টিকৰ আহাৰ তালিকা ঃ**

| | পুষ্টিগত গুনাগুণ | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| খাদ্য সামগ্ৰীৰ পৰিমাণ | প্ৰ'টিন | কেল'ৰি | কেৰটিন | আইৰণ | কেলচিয়াম | ৰিবফ্লবিন | থিয়ামিন | নিয়াচিন |
| ১) মুৰি = ৫০ গ্ৰাঃ | | | | | | | | |
| বুট = ২৫ গ্ৰাঃ | ১০.৩ | ৪৭০ | ৩১ | ৬.৭ | ০.০২ | ০.০৭ | ০.২৪ | ০.৮ |
| মগু ডাইল = ১০ গ্ৰাঃ | গ্ৰাম | কি. কেঃ | মিঃ গ্ৰাঃ | গ্ৰাঃ | গ্ৰাঃ | মিঃ গ্ৰাঃ | মিঃ গ্ৰাঃ | মিঃ গ্ৰাঃ |
| চেনী গুৰি = ৪৫ গ্ৰাঃ | | | | | | | | |

(চুজি লুথুৰী)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ২) চুজি = ৫০ গ্ৰাঃ | | | | | | | | |
| গুৰি গাখীৰ = ২০ গ্ৰাঃ | | | | | | | | |
| বাদাম =১০ গ্ৰাঃ | ১৩.৬ | ৪৫৫ | ৯০ | ০.৬ | ০.০২ | ০.০৬ | ০.০৭ | ০.৮ |
| চেনী = ৩০ গ্ৰাঃ | গ্ৰাম | কি. কেঃ | মিঃ গ্ৰাঃ | গ্ৰাঃ | গ্ৰাঃ | মিঃ গ্ৰাঃ | মিঃ গ্ৰাঃ | মিঃ গ্ৰাঃ |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ৩) চুজি উপমা<br>চুজি = ৫০ গ্ৰাঃ<br>মঃ দাইল = ২০ গ্ৰাঃ<br>শাক-পাচলি = ২০ গ্ৰাঃ<br>চজিনা পাত = ৫০ গ্ৰাঃ<br>তেল = ৫ মিঃ গ্ৰাঃ | ১০.৫ গ্ৰাম | ৩৩৫ কি. কেঃ | ১২৪০ মিঃ গ্ৰাঃ | ৯.৯ গ্ৰাঃ | — | ০.০৬ মিঃ গ্ৰাঃ | ০.০৭ মিঃ গ্ৰাঃ | ০.০৮ মিঃ গ্ৰাঃ |
| ৪) খিচিৰি<br>চাউল = ৫০ গ্ৰাঃ<br>দাইল = ২০ গ্ৰাঃ<br>তেল = ২০ মিঃ গ্ৰাঃ<br>শাক-পাচলি = ২০ গ্ৰাঃ<br>(চজিনা পাত) | ১০.০ গ্ৰাম | ৩৩০ কি. কেঃ | ১৩৫০ মিঃ গ্ৰাঃ | ৪.৪ গ্ৰাঃ | ০.১১ গ্ৰাঃ | ০.১২ মিঃ গ্ৰাঃ | ০.১৬ মিঃ গ্ৰাঃ | ১.৪৪ মিঃ গ্ৰাঃ |
| ৫) লুথুৰী<br>চাউল = ৫০ গ্ৰাঃ<br>চেনী = ২০ গ্ৰাঃ<br>গুৰি গাখীৰ = ১০ গ্ৰাঃ<br>বাদাম = ১০ গ্ৰাঃ | ১০.০ গ্ৰাম | ৩৩০ কি. কেঃ | ৪৭ মিঃ গ্ৰাঃ | ১.৮ গ্ৰাঃ | ০.২৩ গ্ৰাঃ | ০.১০ মিঃ গ্ৰাঃ | ০.০৯ মিঃ গ্ৰাঃ | ০.৭৭ মিঃ গ্ৰাঃ |

**টোকা ঃ** গৰ্ভৱতী মহিলা, প্ৰসূতি মাতৃ সকলৰ বাবে নিৰ্দ্ধাৰিত খাদ্য পৰিমাণ নিয়মমতে বঢ়াব।

৯ (খ)। **আৰু কেইটামান পুষ্টিপূৰ্ণ আহাৰৰ তালিকা ঃ**

| খাদ্য সামগ্ৰীৰ পৰিমাণ | পুষ্টিগত গুনাগুণ<br>কেল'ৰি | প্ৰ'টিন | চৰ্বি | শৰ্কৰা | ভিটামিন "ক" | ভিটামিন "গ" | কেলচিয়াম | লো | জিঙ্ক |
|---|---|---|---|---|---|---|---|---|---|
| (শাক পাচলিৰ মিশ্ৰিত খিচিৰি) | | | | | | | | | |
| চাউল = ৪০ গ্ৰাঃ<br>মঃ দাইল = ২০ গ্ৰাঃ<br>শাক পাচলি = ৫ গ্ৰাঃ<br>(গাজৰ/ফুলকবি/বঙালাউ)<br>আলু = ৫ গ্ৰাঃ<br>তেল = ৭ গ্ৰাঃ<br>(নিমখ জিৰা ৰুচি অনুযায়ী) | ৩০০ | ৮.৫ | ৭.৫ | ৪৯.৩ | ৩৯.৪ | ৭ | ৫৮ | ৪ | ১.৩ |
| (মৰমৰীয়া পোলাও) | | | | | | | | | |
| সিদ্ধ চাউল = ৪০ গ্ৰাঃ<br>ভজা মটৰ = ১৫ গ্ৰাঃ<br>সজীৱ নাৰিকল = ১৫ গ্ৰাঃ | ৩১৯ | ৮.৬ | ১০.৪ | ৪১.২ | ২৯ | ১৬.৩ | ২৩৪ | ১৩ | ১.৫ |

(মচুৰ দাইলৰ পৰিবৰ্তে স্থানীয় ভাৱে পোৱা মাহ ল'ব পাৰে। তেনেকৈ শাক পাচলিৰ ক্ষেত্ৰতও তেনে ব্যৱস্থা ল'ব পাৰে।)

পিয়াজ = ৫ গ্ৰাঃ
আলু = ১০ গ্ৰাঃ (চাউলৰ পৰিবৰ্তে চিৰা ল'ব পাৰে তেনেকৈ শাক পাচলি স্থানীয় ভাৱে পোৱা হ'লেও হয়।)
ফুলকবি = ২৫ গ্ৰাঃ
তেল = ৫ গ্ৰাঃ
(নিমখ জিৰা ৰুচি অনুযায়ী)

---

(চাউল আলু তিকি)

আলু = ৬০ গ্ৰাঃ
চাউলৰ গুৰি = ২৫ গ্ৰাঃ ৩১৮ ১২ ১৪.২ ৩৮ ৩৫৬ ৩০.৫ ১২৩ ২.৫ ১.৩
চয়া টুকুৰা = ২০ গ্ৰাঃ
সৰিয়হ শাক বা
খোৱা শাক = ২৫ গ্ৰাঃ (চয়া টুকুৰাৰ পৰিৱৰ্তে মচুৰ দাইল দিব পাৰে। ধনীয়া পাত অন্যান্য শাকৰ পৰিবৰ্তে ব্যৱহাৰ কৰিব পাৰে।)
তেল = ১০ গ্ৰাঃ
(নিমখ জিৰা ৰুচি অনুযায়ী)

---

(মিঠা চাউল)

চাউল = ৩০ গ্ৰাঃ
বুটৰ দাইল = ২০ গ্ৰাঃ ৩২৮ ৮ ৮.৩ ৫৬ ৬.৫ ০.২ ৩৪ ২ ০৭
মটৰ বুট= ৫ গ্ৰাঃ
গুৰ = ২০ গ্ৰাঃ (নাৰিকল ৫ গ্ৰাঃ ইয়াৰ লগত যোগ দিব পাৰে। বুটৰ দাইলৰ পৰিৱৰ্তে স্থানীয় ভাবে পোৱা দাইল ব্যৱহাৰ কৰিব পাৰে।)
তেল =৫ গ্ৰাঃ

---

(চাউল পুৰা)

চাউল = ৪০ গ্ৰাঃ
বুটৰ দাইল = ২৫ গ্ৰাঃ ৩৩৩.৫ ৮ ৬.৬ ৬০.৫ ৮.১ ০.৩ ৩০ ২ ১
গুৰ = ২০ গ্ৰাঃ (ৰঙালাও, পকা কঠাল যোগ দিব পাৰে। ৫ গ্ৰাম নাৰিকল লগত মিহলাব পাৰে)
তেল = ৫ গ্ৰাঃ
(প্ৰয়োজন মতে পানী)

---

১০। **অঙ্গনবাদী কেন্দ্ৰত ৰাখিব লগা নথি পত্ৰ ঃ**

পৰিপূৰক পুষ্টি আঁচনিৰ অন্তৰ্গত তলত দিয়া ৰেকৰ্ড সমূহ ৰাখিব লাগিব।

(i) ধন পোৱা আৰু উঠোৱাৰ বাবে ব্যৱহৃত ৰেজিষ্টাৰ।

নং ১ — ধন পোৱা আৰু উলিওৱাৰ ৰেজিষ্টাৰ বহী-

| বেঙ্ক ড্ৰাফ্‌ট/ চেক পোৱাৰ তাৰিখ | চেকৰ নং আৰু তাৰিখ | ধনৰ পৰিমাণ | বেঙ্কত জমা দিয়াৰ তাৰিখ | অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ | | ধন উলিওৱা তাৰিখ |
|---|---|---|---|---|---|---|
| | | | | সদস্য সচিবৰ চহী | সভাপতিৰ চহী | |
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ |
| | | | | | | |

| চেক নং আৰু তাৰিখ | উলিওৱা ধনৰ পৰিমান | কি উদ্দেশ্যৰে ধন উলিওৱা হ'ল | খৰচ নোহোৱা জমা ধন | অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ | |
|---|---|---|---|---|---|
| | | | | সদস্য সচিবৰ চহী | সভাপতিৰ চহী |
| ৮ | ৯ | ১০ | ১১ | ১২ | ১৩ |
| | | | | | |

নং ২ — খাদ্য সামগ্ৰী, ইন্ধন আদি আহৰণৰ ৰেজিষ্টাৰ বহী -

| সামগ্ৰীৰ নাম | আহৰণ কৰা সামগ্ৰীৰ পৰিমাণ | জমা থকা সামগ্ৰীৰ পৰিমাণ | আহৰণ কৰা তাৰিখ | নিৰিখ | খৰছ হোৱা ধনৰ পৰিমাণ | মাহৰ প্ৰথম দিনত খৰচ নোহোৱা সামগ্ৰীৰ পৰিমাণ | অঃ কেঃ পঃ সমিতিৰ | |
|---|---|---|---|---|---|---|---|---|
| | | | | | | | সদস্য সচিবৰ চহী | সভাপতিৰ চহী |
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | ৯ |
| | | | | | | | | |

নং ৩ — দৈনিন্দন ব্যৱহাৰ ৰেজিষ্টাৰ বহী-

| তাৰিখ | ৬ৰ পৰা ৩ বছৰৰ শিশু | ৩ৰ পৰা ৬ বছৰৰ শিশু | কিশোৰী | গৰ্ভৱতী মহিলা | প্ৰসুতি মাতৃ | কি খাদ্য প্ৰস্তুত কৰি দিয়া হ'ল | ব্যৱহাৰ কৰা খাদ্য সমগ্ৰীৰ পৰিমাণ | | অঃ কেঃ পঃ সমিতিৰি | |
|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | | সদস্য সচিৱৰ চহী | সভাপতিৰ চহী |
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | ৭ | ৮ | | ৯ | ১০ |
| | | | | | | | চাউল<br>দাইল | | | |

নং ৪ — মাহটোত হিতাধিকাৰীসকলৰ দৈনিক উপস্থিতিৰ তথ্যৰ বহী-

| হিতাধিকাৰীৰ নাম | হিতাধিকাৰীৰ শ্ৰেণী | তাৰিখ | হিতাধিকাৰী/ অভিভাৱকৰ চহী |
|---|---|---|---|
| | | ১ ২ ৩ ৪ ৫ ৬ ৭ ৮ ৯ ১০ ১১ ১২ ১৩ ১৪ ১৫ ১৬ ১৭ ১৮ ১৯ ২০ ২১ ২২ ২৩ ২৪ ২৫ ২৬ ২৭ ২৮ ২৯ ৩০ ৩১ | |

**টোকা :** একে প্ৰ-পত্ৰতে দৈনিক হাজিৰা বহীৰ দৰেই এই ৰেজিষ্টাৰ খন ব্যৱহাৰ কৰিব। হিতাধিকাৰীসকলৰ নামৰ বিপৰীতে খাদ্য বস্তু গ্ৰহণ কৰিলে ✓ চিহ্ন আৰু নাহিলে × চিহ্ন নিৰ্দ্দিষ্ট তাৰিখত বহুৱাব । মাহৰ শেষত হিতাধিকাৰী বা অভিভাৱকৰ চহী ল'ব।

নং ৫ — অঙ্গনবাদী কেন্দ্র পৰিচালনা সমিতিৰ সভাৰ কাৰ্য্যবিবৰণীৰ বহী ঃ

১১। **দাখিল কৰিব লগা প্ৰতিবেদনসমূহ ঃ**

নং I ঃ অঙ্গনবাদী কৰ্ম্মী/ সদস্য সচিবৰ মাহেকীয়া প্ৰগতিৰ খতিয়ান ঃ

অঙ্গনবাদী কেন্দ্ৰৰ নাম ............................................................................................ মাহ...............................

| উপকৃত হোৱা হিতাধিকাৰীসকলৰ সংখ্যা | | | | | ৰেচিপি/ৰেচিপি সমূহ | |
|---|---|---|---|---|---|---|
| ৬ মাহৰ পৰা ৩ বছৰ | ৩ বছৰৰ পৰা ৬ বছৰ | কিশোৰী | গৰ্ভৱতী মাতৃ | প্ৰসূতি মাতৃ | ৬ মাহৰ পৰা ৩ বছৰলৈকে | অন্যান্য |
| | | | | | | |
| | | | | | | |

| ব্যৱহাৰ্য্য খাদ্য সামগ্ৰী/ ইন্ধনৰ পৰিমাণ | | | | | | | কিমান **খৰচ কৰা হ'ল** | **খৰচ নোহোৱা জমা ধন** | **মন্তব্য** |
|---|---|---|---|---|---|---|---|---|---|
| চাউল | | দাইল | | | | | | | |
| | | | | | | | | | |
| | | | | | | | | | |

সদস্য সচিবৰ চহী

সভাপতিৰ চহী

(মুখ্য সেৱীকাৰ মন্তব্য)

মুখ্য সেৱীকাৰ চহী

**টোকা ঃ** এই খতিয়ান পৰৱৰ্ত্তী মাহৰ ৭ তাৰিখে অঙ্গনবাদী কৰ্ম্মী/ **অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য** সচিবে মূখ্য সেৱীকালৈ আৰু মূখ্য সেৱিকাই সেই মাহৰ ১২ তাৰিখে তেওঁৰ মন্তব্য সহ শিশু উন্নয়ন প্ৰকল্প বিষয়ালৈ প্ৰেৰণ কৰিব। অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ প্ৰস্তাৱ সমূহ ইয়াৰ লগত সন্নিবিষ্ট কৰিব।

নং II ঃ ধন ব্যৱহাৰৰ তিনিমহীয়া প্ৰতিবেদন ঃ

অঙ্গনবাদী কেন্দ্ৰৰ নাম ঃ ...................................................................................................

কোন খণ্ডৰ খতিয়ান ঃ ........................................................ এচ.বি. একাউণ্ট নং ..........................................

| আৱন্টিত ধন | চেক নং আৰু তাৰিখ | কোন তাৰিখে পালে | ব্যৱহাৰ কৰা ধনৰ পৰিমাণ | খৰছ নকৰা জমা ধনৰ পৰিমাণ | মন্তব্য |
|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| | | | | | |

সদস্য সচিবৰ চহী

সভাপতিৰ চহী

(মুখ্য সেৱীকাৰ মন্তব্য)

মুখ্য সেৱীকাৰ চহী

টোকা ঃ তিনিমাহ সম্পূৰ্ণ হোৱাৰ ১০ দিনৰ ভিতৰত এই খতিয়ান মুখ্য সেৱীকাৰ হাতত দাখিল কৰিব। মুখ্য সেৱিকাই মন্তব্য সহ ৭ দিনৰ ভিতৰত শিশু উন্নয়ন প্ৰকল্প বিষয়ালৈ প্ৰেৰণ কৰিব।

ভাউচাৰ/ ধন দিয়াৰ ৰচিদৰ ফটকপি এই প্ৰতিবেদনৰ লগত গাঠি দিব। মূল ভাউচাৰ/ ধন দিয়া ৰচিদ বছৰেকীয়া প্ৰতিবেদনৰ লগত পঠিয়াব।

নং III ঃ বছৰেকীয়া প্ৰগতিৰ খতিয়ান ঃ

অঙ্গনবাদী কেন্দ্ৰৰ নাম ঃ ........................................................................ বছৰৰ অন্তিম ৩১ মাৰ্চ ...............

| আৱন্তিত ধন | চেক নং আৰু তাৰিখ | কোন তাৰিখত পোৱা হ'ল | জমা দিয়াৰ তাৰিখ | ব্যৱহাৰ হোৱা ধন | হিতাধিকাৰীৰ সংখ্যা | | মুঠ দিন |
|---|---|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ | | ৭ |
| | | | | | ৬ মাহৰ পৰা ৩ বছৰৰ শিশু | | |
| | | | | | ৩ বছৰৰ পৰা ৬ বছৰৰ শিশু | | |
| | | | | | কিশোৰী | | |
| | | | | | গৰ্ভৱতী মহিলা | | |
| | | | | | প্ৰসূতি মাতৃ | | |

| গুৰুতৰ পুষ্টিহীনতাত ভোগা শিশু | উপকৃত নোহোৱা হিতাধিকাৰীৰ সংখ্যা | | উপকৃত নকৰাৰ কাৰণ | খাদ্য বস্তু/ ইন্ধন আহৰণৰ পৰিমাণ | | অব্যৱহৃত ধন | খাদ্য/ইন্ধন মুঠ জমা | |
|---|---|---|---|---|---|---|---|---|
| ৮ | ৯ | ১০ | ১১ | ১২ | ১৩ | ১৪ | ১৫ | ১৬ |
| | ৬ মাহ — ৩ বছৰ | | | চাউল | | | চাউল | |
| | ৩ বছৰ — ৬ বছৰ | | | দাইল | | | দাইল | |
| | কিশোৰী | | | ......... | | | ......... | |
| | গৰ্ভৱতী মাতৃ | | | ......... | | | ......... | |
| | প্ৰসূতি মাতৃ | | | ......... | | | ......... | |

সদস্য সচিবৰ চহী

সভাপতিৰ চহী

(মুখ্য সেৱীকাৰ মন্তব্য)

মুখ্য সেৱীকাৰ চহী

টোকা ঃ

(i) এই খতিয়ান অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য সচিবে ২০ এপ্ৰিলৰ ভিতৰত মুখ্য সেৱীকালৈ পঠাব লাগিব আৰু মুখ্য সেৱীকাই ৩০ এপ্ৰিলৰ ভিতৰত শিশু উন্নয়ন প্ৰকল্প বিষয়ালৈ পঠাব লাগিব।

(ii) এই খতিয়ানৰ সতে সকলো মূল ভাউচাৰ/টকাৰ ৰচিদ গাঠি দিব লাগিব।

(iii) এই অন্তিম খতিয়ানৰ লগত অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ প্ৰস্তাৱত উল্লেখ থাকিব লাগিব যে সমিতিয়ে খতিয়ান অনুমোদন জনাইছে আৰু সেই প্ৰস্তাৱ ইয়াৰ লগত গাঠি দিব।

(iv) সকলোৰে ক্ষেত্ৰত, য'ত মুখ্য সেৱীকা অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য সচিব, তেতিয়াও অঙ্গনবাদী কৰ্মী আৰু মুখ্য সেৱীকা দুয়ো এই খতিয়ানত চহী কৰিব।

(v) এই খতিয়ানৰ এটা নকল অঙ্গনবাদী কেন্দ্ৰত ৰাখিব।

১২। **বিভিন্ন কৰ্মকৰ্ত্তাৰ কৰ্ত্তব্য আৰু দায়িত্ব ঃ**

(ক) <u>অঙ্গনবাদী কৰ্ম্মীৰ কৰ্ত্তব্য আৰু দায়িত্ব ঃ</u>

(i) অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সৈতে পৰামৰ্শ লৈ ওচৰৰ বেঙ্কত একাউণ্ট খোলা।

(ii) ধন পোৱাৰ লগে লগে জমা দিয়াটো নিশ্চিত কৰা.

(iii) নিৰ্দ্দিষ্ট প্ৰপত্ৰত সকলো তথ্য শুদ্ধভাৱে ৰখা।

(iv) সময়মতে সকলো তথ্য দাখিল কৰা।

(v) যথা সময়ত অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সভা অনুস্থিত কৰা।

(vi) খাদ্য বস্তু ৰান্ধি খোৱাৰ ক্ষেত্ৰত ৰাইজ আৰু অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ লগত সমন্বয় গঢ়া।

(vii) চিনাক্ত কৰা শতকৰা ১০০ ভাগ হিতাধিকাৰীকে আঁচনিৰ অন্তৰ্ভূক্ত কৰা।

(ix) অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সতে আলোচনা কৰি বন্ধনৰ সময় আৰু খাদ্য বিতৰনৰ সময় নিৰ্দ্ধাৰণ কৰা।

(x) খাদ্যবস্তু ৰন্ধনত সহায়িকাক সহায় কৰিবলৈ মাতৃগোট আৰু কিশোৰী গোটসমূহক পুনৰুজ্জীৱিত কৰা।

(xi) স্থানীয় ভাৱে গাখীৰ, শাক-পাচলি যোগানত জনগণৰ সহযোগ লাভ কৰা।

(xii) ৰাইজৰ মাজত মাতৃ দুগ্ধপান, পৰিপূৰক পুষ্টি আৰু শিশুৰ উপযুক্ত যতন লোৱাৰ ওপৰত সজাগতা অনা।

(খ) অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য সচিব নোহোৱা অঙ্গনবাদী কৰ্মীৰ কৰ্ত্তব্য আৰু দায়িত্ব ঃ

তেওঁলোকে ওপৰত উল্লেখ কৰা কৰ্ত্তব্য আৰু দায়িত্বৰ লগতে মুখ্য সেৱীকাক তথ্যপাতি ৰখাৰ আৰু যুগুতোৱাৰ ক্ষেত্ৰত সহায় কৰিব।

(গ) মুখ্য সেৱীকাৰ কৰ্ত্তব্য আৰু দায়িত্ব ঃ

(i) যি কেন্দ্ৰত মুখ্য সেৱীকা গৰাকী অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সদস্য সচিব, তেওঁ বেঙ্ক একাউণ্ট খোলাটো নিশ্চিত কৰা, অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ সভা সময়মতে অনুস্থিত কৰা আৰু সকলো তথ্য পাতি সঠিকভাবে ৰাখি দাখিল কৰা।

(ii) প্ৰত্যেক মাহত এবাৰ হ'লেও সকলো অঙ্গনবাদী কেন্দ্ৰ ভ্ৰমণ কৰা।

(iii) প্ৰকৃতাৰ্থত এই আঁচনিখনৰ ৰূপায়ণত অঙ্গনবাদী কৰ্মী, সহায়িকা আৰু অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিক মাৰ্গদৰ্শনত সহায় কৰা।

(iv) অঙ্গনবাদী কৰ্মী গৰাকীক প্ৰতিবেদন প্ৰস্তুত কৰাত আৰু দাখিল কৰাত সহায় কৰা।

(v) আঁচনিখন ৰূপায়ণ কৰোতে অঙ্গনবাদী কেন্দ্ৰ সমূহে যাতে অধিক স্বচ্ছতা ৰক্ষা কৰে তাৰ প্ৰতি নিশ্চিত হোৱা।

(vi) কাৰ্য ৰূপায়ণত অক্ষম, নিয়ম ভঙ্গ কৰা কৰ্মী সকলক ক্ষেত্ৰ পৰিদৰ্শন যোগে চিনাক্ত কৰি শুধৰনিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা।

(vii) স্বাস্থ্য বিভাগৰ কৰ্মচাৰীৰ সৈতে যোগাযোগ কৰি খাদ্য সামগ্ৰীৰ মানদণ্ড সময়ে সময়ে প্ৰমাণিত কৰা।

(ঘ) শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কৰ্ত্তব্য আৰু দায়িত্ব ঃ

(i) যিমান পাৰি সিমান অঙ্গনবাদী কেন্দ্ৰ (মাহত কমেও ১৫ টা) পৰিদৰ্শন কৰি আঁচনি খনৰ ৰূপায়নৰ পোনপতীয়া আভাষ লোৱা।

(ii) অঙ্গনবাদী কেন্দ্ৰসমূহৰ পৰা পোৱা প্ৰতিবেদন সুক্ষ্মভাৱে পৰ্যালোচনা কৰা আৰু দুৰ্বল কৰ্মী আৰু নিয়ম ভঙ্গকাৰী সকলক শুধৰনিৰ ব্যৱস্থা গ্ৰহণ কৰা।

(iii) অঙ্গনবাদী কৰ্মী আৰু অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিৰ মাজত যদিহে সমন্বয়ৰ সংঘাত ঘটে তেনে ক্ষেত্ৰত অধিকতম মনোনিবেশ কৰা।

(iv) অঙ্গনবাদী কৰ্মী আৰু মুখ্য সেৱীকা সকলে তথ্যপাতি ৰখা আৰু দাখিল কৰাৰ ক্ষেত্ৰত সলসলীয়াকৈ বোধগম্য হোৱাতো নিশ্চিত কৰা।

(v) সময়মতে খতিয়ান দাখিল কৰাটো নিশ্চিত কৰা।

(vi) স্বাস্থ্য বিভাগৰ কৰ্মচাৰীসকলৰ লগত যোগাযোগ কৰি সময়ে সময়ে খাদ্য সামগ্ৰীৰ গুণগত মান প্ৰমাণিত কৰা।

(vii) আঁচনিখনৰ ৰূপায়ণৰ সম্পৰ্কত জিলা আৰু খণ্ড পৰ্যায়ৰ সমন্বয়ৰক্ষী সমিতিক অৱগত কৰোৱা।

(viii) খণ্ড পৰ্যায়ৰ নিৰীক্ষণ আৰু পৰ্যবেক্ষণ সমিতিৰ সভা নিয়মীয়াকৈ আহ্বান কৰা আৰু অঙ্গনবাদী কেন্দ্ৰ পৰিদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰা।

(ix) ৰাইজৰ সহযোগত প্ৰশংসনীয় ভাৱে সেৱা আগবঢ়োৱা অঙ্গনবাদী কেন্দ্ৰসমূহৰ ক্ষেত্ৰভিত্তি অধ্যয়ন কৰা।

(x) ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান (N.R.H.M.) কৰ্মকৰ্তাৰ সতে যোগাযোগ ৰাখি মাতৃ দুগ্ধ পান, পৰিপূৰক আহাৰ আৰু ঘৰত লব লগা শিশুৰ যতনৰ ওপৰত হিতাধিকাৰী সকলৰ মাজত বিশদভাৱে প্ৰচাৰ, এই আঁচনি এৰাব নোৱাৰা অঙ্গ হিচাপে মাত্ৰা প্ৰদান কৰা।

(ঙ) <u>জিলা সমাজ কল্যাণ বিষয়াসকলৰ কৰ্ত্তব্য আৰু দায়িত্ব</u> ঃ

(i) জিলা পৰ্যায়ৰ সমন্বয়ৰক্ষী সমিতি আৰু পৰিপূৰক পুষ্টিৰ জিলা পৰ্যায়ৰ সমিতিৰ সভা সময়মতে অহ্বান কৰাটো নিশ্চিত কৰা।

(ii) অঙ্গনবাদী কেন্দ্ৰ পৰিচালনা সমিতিলৈ লগে লগে ধনৰ হস্তান্তৰ কৰাটো নিশ্চিত কৰা।

(iii) আঁচনিখনৰ প্ৰকৃত ৰূপায়ণ চাবলৈ অঙ্গনবাদী কেন্দ্ৰসমূহলৈ আৰু প্ৰকল্প বিষয়া কাৰ্যালয়লৈ সমূহীয়া পৰিদৰ্শনৰ ব্যৱস্থা কৰা।

(iv) সময়মতে ৰূপায়ণৰ খতিয়ান দাখিল কৰা।

(চ) <u>কাৰ্য্যক্ৰম বিষয়াসকলৰ কৰ্ত্তব্য আৰু দায়িত্ব</u> ঃ

(i) প্ৰতিমাহে শিশু উন্নয়ন প্ৰকল্প বিষয়া সকলৰ লগত আঁচনিখনৰ ৰূপায়ণৰ সম্পৰ্কত পৰ্যালোচনা কৰা।

(ii) মাহে এবাৰকৈ তেওঁৰ এলেকাৰ অন্তৰ্ভুক্ত প্ৰতিখন জিলাৰ জিলা সমাজ কল্যাণ বিষয়াৰ লগত পৰ্যালোচনা কৰা।

(iii) যিমান পাৰি সিমান প্ৰতি মাহতে জিলা সমন্বয়ৰক্ষী সমিতি আৰু খণ্ড পৰ্যায়ৰ নিৰীক্ষণ আৰু পৰ্যবেক্ষণ সমিতিৰ সভাত উপস্থিত থাকিবলৈ যত্নপৰ হোৱা।

(iv) কমেও দহ (১০)টা প্ৰকল্প কাৰ্যালয় আৰু প্ৰকল্পৰ অঙ্গনবাদী কেন্দ্ৰ প্ৰতিমাহে ভ্ৰমণ কৰি আঁচনিখনৰ ৰূপায়ণৰ অনুভৱ কৰা।

(v) কৰ্ম দুৰ্বল আৰু কৰ্ত্তব্যত গাফিলতি কৰা কৰ্ম্মীসকলক চিনাক্ত কৰি সংস্কাৰ কৰা বা নিয়মমতে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা।

***সমাজ কল্যাণ সঞ্চালকে আঁচনিখনৰ ৰূপায়ণৰ ক্ষেত্ৰত নেৰানেপেৰা নিৰীক্ষণৰ/ পৰ্যালোচনাৰ ব্যৱস্থা গ্ৰহণ কৰিব।***